ঈমানৰ ফালেৰে পৰিপূৰ্ণ মুমিন হৈছে সেই ব্যক্তি, যিজন সিহঁতৰ মাজত উত্তম চৰিত্ৰৰ অধিকাৰী। তোমালোকৰ মাজত সৰ্বোত্তম হৈছে সেই ব্যক্তি, যিজন নিজৰ স্ত্ৰীৰ ওচৰত উত্তম।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে কৈছেঃ ঈমানৰ ফালেৰে পৰিপূৰ্ণ মুমিন হৈছে সেই ব্যক্তি, যিজন সিহঁতৰ মাজত উত্তম চৰিত্ৰৰ অধিকাৰী। তোমালোকৰ মাজত সৰ্বোত্তম হৈছে সেই ব্যক্তি, যিজন নিজৰ স্ত্ৰীৰ ওচৰত উত্তম।
[হাছান] [(আবু দাঊদ, তিৰমিজী, আৰু আহমদ)]

হাদীছটোত নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, পৰিপূৰ্ণ মুমিন হৈছে সেই ব্যক্তি, যিজন সচ্চৰিত্ৰৰ অধিকাৰী। অৰ্থাৎ যিয়ে হাঁহিমুখে সাক্ষাৎ কৰে, সৎকৰ্ম কৰে, উত্তম কথা কয় আৰু মানুহক কষ্ট নিদিয়ে। লগতে উত্তম মুমিন হৈছে সেইজন, যিজন নিজৰ স্ত্ৰীৰ ওচৰত উত্তম। অৰ্থাৎ যিয়ে নিজৰ স্ত্ৰীৰ সৈতে ভাল ব্যৱহাৰ কৰে, লগতে নিজৰ জীয়াৰি, বাই-ভনী আৰু আত্মীয় নাৰীৰ সৈতে ভাল ব্যৱহাৰ কৰে। কাৰণ তেওঁলোক হৈছে সদাচৰণ পোৱাৰ অধিক যোগ্য।

http://sunnah.global/hadeeth/as/show/5792